# Visit of Prime Minister of India to Bangladesh

March 16, 2021

---

# ভাৰতৰ প্ৰধানমন্ত্ৰীৰ বাংলাদেশ ভ্ৰম

**মাৰ্চ 16, 2021**

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ আমন্ত্ৰণমৰ্মে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৬ আৰু ২৭ মাৰ্চত বাংলাদেশ ভ্ৰমণ কৰিব।

প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণ তিনিটা ঐতিহাসিক প্ৰেক্ষাপটৰ সৈতে সম্পৰ্কিত-শ্বেখ মুজিবৰ ৰহমানৰ জন্ম শতবাৰ্ষিকী-মুজিব বৰ্ষ; ভাৰত আৰু বাংলাদেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৫০ বছৰ আৰু বাংলাদেশৰ মুক্তি যুদ্ধৰ সোণালী জয়ন্তী। প্ৰধানমন্ত্ৰীয়ে ২০১৫ চনত শেষবাৰৰ বাবে বাংলাদেশ ভ্ৰমণ কৰিছিল।

এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে ২৬ মাৰ্চত বাংলাদেশৰ ৰাষ্ট্ৰীয় দিৱস উপলক্ষে আয়োজিত কাৰ্যসূচীত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

এই অনুষ্ঠানৰ উপৰিও প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ সৈতে দ্বিপাক্ষিক আলোচনা কৰাৰ উপৰিও বাংলাদেশৰ ৰাষ্ট্ৰপতি এম.ই. আব্দুল হামিদক সাক্ষাৎ কৰিব। ইয়াৰোপৰি বাংলাদেশৰ বৈদেশিক মন্ত্ৰী ডঃ এ কে আব্দুল মোমেনে প্ৰধানমন্ত্ৰী শ্ৰী মোদীক সাক্ষাৎ কৰিব।

কোভিড মহামাৰী আৰম্ভ হোৱাৰ পিছত প্ৰধানমন্ত্ৰীৰ বাংলাদেশ ভ্ৰমণ হ'ব প্ৰথমটো বিদেশ ভ্ৰমণ। ইয়াৰ জৰিয়তে বাংলাদেশৰ সৈতে ভাৰতৰ সম্পৰ্কৰ গুৰুত্ব প্ৰতিফলিত হয়।

**নতুন দিল্লী**
**মাৰ্চ 16, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.